জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৫/ ২০২০

**মুখ্যমন্ত্ৰীয়ে অংশ গ্ৰহণ কৰিলে তৃতীয় খেলো ইণ্ডিয়া যুথ গেমছ্‌ৰ সামৰণি অনুষ্ঠানত**

# খেলে স্বাস্থ্য সন্মত জীৱন যাপন আৰু যুৱ শক্তিৰ বিকাশত সৰ্বাত্মক ভূমিকা গ্ৰহণ কৰে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২২ জানুৱাৰী ঃ** 'তৃতীয় খেলো ইণ্ডিয়া যুথ গেমছ্‌ত যুৱ প্ৰজন্মৰ খেলুৱৈ সকলে ক্ৰীড়া নৈপুণ্যতাৰ জৰিয়তে দেশৰ ক্ৰীড়া জগতত আশাৰ সঞ্চাৰ কৰিছে। কঠোৰ পৰিশ্ৰমৰ জৰিয়তে খেলুৱৈ সকলে সফলতা আহৰণ কৰিছে। এতিয়া সকলোৰে লক্ষ্য অলিম্পিকৰ পডিয়াম হ'ব লাগিব। খেলৰ জৰিয়তে বিশ্ব পৰ্যায়ত ভাৰতৰ সুনাম বৃদ্ধিৰ বাবে নৱ প্ৰজন্মৰ খেলুৱৈ সকলে আৰু অধিক কঠোৰ পৰিশ্ৰম কৰিব লাগিব।' আজি সৰুসজাইস্থিত কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ ইণ্ডোৰ ষ্টেডিয়ামত তৃতীয় খেলো ইণ্ডিয়া যুথ গেমছ্- ২০২০ ৰ সামৰণি অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে খেলুৱৈ সকলে গুৱাহাটীৰ নাম উজ্জ্বল কৰিলে আৰু বিশ্ববাসীৰ সন্মুখত এক পৃথক পৰিচয় দাঙি ধৰিলে। মুখ্যমন্ত্ৰীয়ে খেলুৱৈ, প্ৰশিক্ষক, চাপৰ্ট ষ্টাফ আৰু টেকনিকেল ষ্টাফ সকলক অসমবাসীৰ হৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ফিট ইণ্ডিয়া মোভমেন্টৰ জৰিয়তে দেশৰ নৱ প্ৰজন্মক আগুৱাই নিবলৈ বিচাৰিছে। খেলে স্বাস্থ্য সন্মত জীৱন যাপন আৰু যুৱ শক্তিৰ বিকাশত সৰ্বাত্মক ভূমিকা গ্ৰহণ কৰে। জীৱনত পৰিৱৰ্তন আনিবলৈ হ'লে পৰিশ্ৰম কৰিব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে খেলৰ বাণীয়ে হৈছে এক ভাৰত শ্ৰেষ্ঠ ভাৰত। মুখ্যমন্ত্ৰীয়ে কয় যে অসমেও এই গেমছ্‌ত বিশেষ সফলতা আহৰণ কৰিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীয়ে অসমৰ খেলুৱৈ সকলকো ধন্যবাদ জ্ঞাপন কৰে। গুৱাহাটী তথা অসমবাসীয়ে খেলুৱৈ সকলক প্ৰদান কৰা আতিথ্যৰ বাবেও ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই খেলৰ সফলতাৰ বাবে জনসাধাৰণ, ক্ৰীড়ানুৰাগী, সাংবাদিক, ক্ৰীড়া সংগঠক, অলিম্পিক এছ'চিয়েশ্বন, বিভিন্ন ফেডাৰশ্বনে সহযোগিতা আগবঢ়ালে। মুখ্যমন্ত্ৰীয়ে কয় যে গুৱাহাটীত বিভিন্ন আন্তঃৰাষ্ট্ৰীয় তথা ৰাষ্ট্ৰীয় খেল সফলতাৰে অনুষ্ঠিত হৈছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে খেলৰ জৰিয়তে আমি একতা আৰু বন্ধুত্বৰ ভাব অধিক প্ৰসাৰিত কৰিব লাগিব। গুৱাহাটীত তৃতীয় খেলো ইণ্ডিয়া যুথ গেমছ্ অনুষ্ঠিত কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী কিৰেণ ৰিৰিজুক মুখ্যমন্ত্ৰীয়ে ধন্যবাদ জ্ঞাপন কৰে।

সামৰণি অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিত্ত, স্বাস্থ্য, গড়কাপ্তানি, শিক্ষা বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ১৩ দিনীয়া এই ক্ৰীড়া সমাৰোহত অসমৰ ৰাইজে আগবঢ়োৱা আতিথ্য, মৰম স্নেহ লৈ খেলুৱৈ সকল উভতি যাব। অসমেও এই প্ৰতিযোগিতাত বিশেষ সফলতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি মন্ত্ৰী গৰাকীয়ে কয় যে খেলুৱৈ সকলে নিজৰ ক্ষেত্ৰখনত আৰু অধিক উজ্বলি উঠাৰ বাবে ধাৰাবাহিক প্ৰয়াস চলাই যাব লাগিব। মন্ত্ৰী গৰাকীয়ে কয় যে ৰাজ্য চৰকাৰে ক্ৰীড়াৰ পৰিৱেশ আৰু ক্ৰীড়াক নতুন দিগন্তলৈ নিয়াৰ বাবে নিৰন্তৰ প্ৰয়াস চলাই আহিছে। মন্ত্ৰী গৰাকীয়ে ভাষণ প্ৰসংগত ৰাজ্যখনৰ ক্ৰীড়াৰ আন্তঃগাঁথনি বিকাশৰ বাবে লোৱা পদক্ষেপ সমূহৰ বিষয়েও উল্লেখ কৰে।

**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

অনুষ্ঠানত বক্তব্য প্ৰদান কৰি কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁক ব্যক্তিগতভাৱে এই ক্ৰীড়া সমাৰোহৰ বিষয়ে মত বিনিময় কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গ্ৰাম্য ক্ৰীড়া প্ৰতিভা সমূহ উলিয়াই অনাৰ বাবে খেলো ইণ্ডিয়া যুৱ মহোৎসৱৰ আয়োজন কৰিছে বুলিও কয়।

আজিৰ এই অনুষ্ঠানতে এই ক্ৰীড়া সমাৰোহৰ শ্ৰেষ্ঠতা আহৰণ কৰা মহাৰাষ্ট্ৰক চেম্পিয়ন ট্ৰফী, হাৰিয়ানাক প্ৰথম ৰানাৰ্চ আপ আৰু দিল্লীক দ্বিতীয় ৰানাৰ্চ আপ ট্ৰফী প্ৰদান কৰে মুখ্যমন্ত্ৰীয়ে। সামৰণি অনুষ্ঠানৰ লগত ৰজিতা খুৰাই এখন স্মৃতিগ্ৰন্থও মুখ্যমন্ত্ৰীয়ে উন্মোচন কৰে।

আজিৰ এই সামৰণি অনুষ্ঠানত কেইবাগৰাকী মন্ত্ৰী, সাংসদ, বিধায়ক, স্পৰ্টচ্ছ অথ'ৰিটি অৱ ইণ্ডিয়া আৰু বিভিন্ন ফেডাৰেশ্বনৰ বিষয়ববীয়াকে ধৰি উচ্চপদস্থ বিষয়া, ক্ৰীড়ানুৰাগী ৰাইজ উপস্থিত থাকে।

**পুঃডেঃ / বীঃগঃ**

**২২/০১/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in